পাচে ৰাজা সকলো আহোমক মাতি আনিলে মিচঙ্গ আওতাবলৈ। সেই লগতে তুৰবান আহোমো বাঁহৰ ভিতৰত যাঠি এগছ আনিছিলে। মহাৰজাও সেই টুপতে বসিলে। পাচে ছেগ চাই যাঠি উলিয়াই ৰজাক খুচি মাৰিলে। ৰজা স্বৰ্গী হল, ভোগ ৪ বৎসৰ। পাচে বৰা-বৰুৱাবোৰে ৰাজদ্ৰোহী বুলি মাৰিলে তুৰ্ব্বান আহোমক, লাক্নি ৰাইসিত ১৩১৪ শকত।

পাচে তান পুত্ৰ ত্যাৰোত্যফা-চুপিম ৰজা হল, লাক্নি মুংচেও ১৪১৪ শকত। পাচে চুপিনফ্ৰা ৰজাক খুন কৰিলে। পাচে ৰজা স্বৰ্গী হল, ভোগ ৪ বৎসৰ। ১২৯ ॥

ওপৰজনা দিহিঙ্গীয়া ৰজা।—পাচে সেই শকতে ১৪১৮ সকলো ৰবা-বৰুকে আলচ কৰি পৰ্ব্বতৰ পাটত চুকাঙ্গক ৰজা পাতিলে। পাচে ৰজা হৈ নাম ললে ত্যাওফা-চুহুম। এই জনাকে ওপৰদিহিঙ্গীয়া বোলে। পৰ্ব্বতত কতোদিন থাকি ১৪২৪ শকত দিহিঙ্গত নগৰ ললে। ১৪২৬ শকত পাচে মহাৰজা থাওমুংনাংবান, ত্যাওবুঙ্গপেঙ্গ, এই দুইক আইতুনীয়া নগাক যুজিবলৈ পঠালে। ইহঁতক যাবৰ দেখি নগা ভয়াতুৰ হৈ কুঁৱৰী এজনা, পুয়েন নামে হাতী এটা দি ৰখিল। ইবোৰে কুঁৱৰীকে হাতীকে পাই ওলটি আহিল, মহাৰজাক সেৱা কৰিলেহি। ১৪৭১ শকত হাবুঙ্গ পালেগৈ। পাচে সেই সময়তে হাবুঙ্গীয়া বামুণৰ ঘৰতে আছিল। বুঢ়ামহাৰজা তাৰ পূৰ্ব্বৰ উপকাৰ স্মৰি তাক সুবৰ্ণৰ সঙ্গুণ দিলে, বোলে,—"আজিৰপৰা আমাৰ অংশী হলি।" কেতৰ নাম দিলে, হাতী-ঘঁাহীৰ অধিকাৰী পাতি ৰাজা লগতে ললে। ১৩০ ॥

চুটিয়াৰ লগত ৰণ।—সেই সময়ত চুটিয়াৰ বীৰনাৰায়ণ ৰজাৰ মানুহে আমাৰ মানুহক ঘালিবৰ মনে ছল-ছন্দ কৰি ছিদ্ৰ চাই ছদ্মৰূপে ফুৰিছিলে। পাচে একদিনা দিহিঙ্গৰ মাজত ডাঙ্গৰ মাছ এটা উটি আহিল। আমাৰ মানুহে নৌকাত উঠি মাছ ধৰি আনিলে। পিচে তাক খেদি চুটিয়াৰ মনিচন্দ বৰুৱায়ে বোলে,—"আমাৰ পানীৰ

মাছ কাৰ মানুহে ধৰি নিএ ?” পাচে তাক নৌকা মেলি ধৰিলেগৈ। পাচে চুটিয়াৰ মানুহে আমাৰ মানুহে জোটা-পোটা কৰি চুটিয়াৰে বলে নোৱাৰিলে। আমাৰ মানুহে চুটিয়াৰ মানুহ ধৰি আনিলে, মাছকো কাঢ়ি আনিলে। পাচে মণিচন্দ বৰুৱায়ে বীৰনাৰায়ণ ৰজালৈ জনালে। পাচে ৰজা শুনি যুদ্ধক সাবধান হৈল। সৈন্য জোৰাই দিখৌমুখত কোঁঠ বান্ধিলে। পাচে মহাৰজা শুনি ফ্ৰাচেংমুং বৰ-গোহাঁইক লোকজন লগত দি যুদ্ধলৈ পঠালে। ইবোৰেও যুদ্ধ কৰিছেগৈ। চুটিয়াক হোহুকাই খেদি দিখৌমুখৰ পৰা ডিবৰুমুখ পোৱালেনি। চুটিয়াৰ বিস্তৰ পৰিল লোকজন, বৰুৱা লেচামৰ ভতিজাক আমাৰ মানুহে ধৰি আনিলে। চুটিয়াৰ মণিচন্দ বৰুৱায়ে, ৰবহুলৈ বৰুৱায়ে, ৰাজাৰ ভায়েক ঢেলায়ে, এইসকলে খেদি আহি তিনিমুনিতে পাচদিন যুদ্ধ কৰিলে। মণিচন্দৰ গাত কাড় লগালে। পাচে চুটিয়ায়ে বলে নোৱাৰি হুলৈ বৰুৱা প্ৰমুখ্যে সকলে সৈন্য চুটিয়াৰ পলাল, শদিয়ালৈ গ'ল। সেই যুদ্ধতে চুটিয়াৰ লোকজন বিস্তৰ পৰিল ৪০০০। আমাৰ মানুহে ধৰি আনিলে ৩০০০। পাচে কনচেং গোহাঞি বোলে,— “শত্ৰুৰ বল বঢ়াবৰ কি কাৰণ ?” এইবুলি ধৰি অনা চুটিয়াক বধি দেৱঘৰত মুণ্ডমালা পিন্ধালে। এনেতে মহাৰজা হাবুঙ্গৰ পৰা দিহিঙ্গলৈ গল, ১৪৪১ শকত।

চুটিয়াৰ ধৰ্ম্মনাৰায়ণৰ বেটা বীৰনাৰায়ণ ৰাজায়ে চেকৰাকটাদি বাট কাটিব দিলে। ওলাই আহিলত দিখৌমুখত কোঁঠ দিলেহি। এইকথা মহাৰাজা শুনি চেডেচেংখং, থাওবাইলুং, এই দুইকো লোকজন লগত দি যুদ্ধলৈ পাচিলে। ইবোৰে গৈ যুদ্ধ ধৰিলে। চুটিয়া বলে নোৱাৰি হুহঁকি গৈ দিহিঙ্গৰ ঘৰত ধৰিলেগৈ। পাচে গড়ৰপৰা ওলাই গৈ আমাৰ খেংমুঙ্গত ৰণ ধৰিলে। সেই ৰণতে খেংমুং পৰিল। পাচে মহাৰজা ৰৰা-বৰুকক ৰণলৈ পঠালে, আপুনিও পাচতে গ'ল। পাচে আমাৰ লাইডাই জিনিলে। চুটিয়াৰ নাও ৩ খান আনি চেকৰাকটাত যোগালে মহাৰাজাক। পাচে নাও মানুহত বাৰ্ত্তা সুধিলে বোলে,—

"চুটিয়াৰ বীৰনাৰায়ণ লোকজন সহিতে ক'ত আছে ?" সি বোলে,—"ডিৰোবোমুখত আছে।" পাচে মহাৰজা শুনি বোলে,—"ক্ৰাচেংমুংনে কিংলুনে ডিৰোবোমুখত থাকগৈ।" এই বুলি মহাৰাজা পৰ্ব্বতলৈ গমন। পাচে পৰ্ব্বতত দেও কৰি ১৪৪৪ শকত মহাৰাজা চেঁচামুখলৈ গল। ডিবোৰোমুখত থাওৱান নামে বৰুৱা এটাই কোঁঠ দি ডিবোৰো-মুখত ৰণ ধৰিলে। চেঁচামুখৰ পৰা মহাৰজা ডিবোৰোমুখলৈ গল। ক্ৰাচেংমুং, ত্যাওলুং-কিংলুং গাওঁৰ চুটিয়াক ভঙ্গাই নাৰে-ভৰে খেদি শদিয়ালৈ নিলে। ৰাজাও শদিয়াকে খেদি গ'ল। ১৩১॥

চুটিয়াৰ লগত সন্ধি।—পাচে চুটিয়াবে ক্ৰাচেঙ্গমুংনেবে কিংলুন গাওঁৰ ঠাইলৈ দিলে, বিশ্বাসে কটকীক পঠালে, পত্ৰ-সন্দেশ দিলে,—সুবৰ্ণৰ কেৰু ১ যুৰ, নড়াকাপোৰ ২ খন, ৰৰণ বুলি দিলে। ক্ৰাচেং-মুনলৈ দিলে,—সুবৰ্ণৰ শৰাই ২ খন, পাটী ২টা। কিংলুনলৈ দিলে,—সুবৰ্ণৰ কৰীয়া ১ যুৰ, পাটী দুটা। বচন বুলিলে,—"আমাক সিবোলাকে খেদিব নলাগে; বছৰি বছৰি কৰভাৰ সোধাম।" এইৰূপে কটকীয়ে কলেহি, সিবোলাক দুজনায়ে মহাভাৰত জনালে। মহাৰাজাও লানখেন পাঁচনিত কৈ এই বাক্য বোলি পঠালে, বোলে,—"তাৰ যি সোণৰ দণ্ড, মেকুৰী আছে, খাটো আছে, সিইঁতে তাকো ৰাখক, আৰু ৰৰকুঁৱৰীক মাখুন্দী হাতী মুক্ষকৈ দহোটা হাতীলৈ ৰৰবাটেদি আহিব। এইখানি বুলি চুটিয়াৰ কটকী পঠাই দিলে। কটকীয়ে গৈ এইৰূপে কলে। চুটিয়া বোলে,—"বাক, কুঁৱৰীকো, মাখুন্দী হাতীকো আৰু দহোটা হাতীকো দিম। কিন্তু সোণৰ দণ্ড-খাট, মেকুৰী যি আছে মোৰ পিতৃ-পিতামহৰ দিনসৰ্ব্বস তাক দিব নোৱাৰোঁ।" এই বুলি কটকী পঠাই দিলে ৰৰগোহাঁইলৈ,—সোণেসেৰীয়া বাটি এটা, সোণৰ খাৰু ১ যুৰ, দিলে,—সোণৰ খাৰু ১ যুৰ, লোটা ১টা, পাটী ১টা, পানীকামুল ১ খন। সোণোৱালী পয়জাৰ ১ যুৰ, হাতী ১টা, পাটী ২টা। ৰৰপাত্ৰলৈ তাৰ ভিতৰত চুৰি এখন দি পঠাইছিলে। ডাঙ্গৰীয়াবোৰে এইকথা মহাৰাজালৈ জনালে। ১৩২॥

চুটিয়াৰ লগত পুনৰ ৰণ।—পাচে চুহুঙ্মুং ৰাজা এইকথা শুনি ফ্ৰাচেংমুং বৰগোহাঁইক, চুলংকিং বৰপাত্ৰক, থাওমুচেন সন্দিকৈ, থাওমুংবানলুং, কেওথুন ত্যওফ্লং, কুবিন বৰপাত্ৰ, এইসকলৰে আলচ কৰি "চুটিয়া আমাৰ কথা নাৰাখিলে, সি যুদ্ধ কৰিবলৈ ইচ্ছা কৰিলে" এইবুলি নৌকা যত্ন কৰি ৰজাত জনালে। ঘৰ উঠি ডাঙৰীয়া লোক-জন সহিতে তবৰ বাটে চুটিয়াক কোঁঠতে ধৰিবলৈ খেদি গ'ল। সেই সময়তে চুটিয়া ৰজায়ে পুখুৰী খানিছিল। পাচে মহাৰাজে খেদি যাবৰ শুনি চুটিয়া ৰজা বোলে,—"কোৰ চাঙ্গী এৰা, আমাৰ সকলো সুখ-ভোগ খুনখাৰ হল, লগতে গল।" সেই সময়তে চুটিয়া ৰজাৰ ধৈণীয়েকৰ ৰাজ-ভাৰ হৈছিলে। ইয়াকে দেখি মনে কষ্ট কৰিলে। আপোনাৰ লোকজন সহিতে ভাগি গৈ ডইডাম পৰ্ব্বতত ৰহিলগৈ। মহাৰাজায়ো তাৰ নগৰতে ৰহিলগৈ। ডাঙৰীয়াবোৰকো খেদি যাব দিলে। পাচে চুংলুং কুঁৱৰীক বৰপাত্ৰৰে লোকজন সহিতে খেদি গৈ সেই থাইতে ৰণ ধৰিলেগৈ। তাতে চুটিয়াৰ লোকজন বিস্তৰ পৰিল।

পাচে চুটিয়াৰ ৰজা তাতো বলে নোৱাৰিলে, চন্দনগুৰি পৰ্ব্বতত উঠিলগৈ। পাচে সকলোৱে আলচি চন্দনগুৰি পৰ্ব্বতত ৰণ ধৰিলে। আমাৰ লোকে চাৰিওদিশে পৰ্ব্বতত উশৃতত ধৰিলে। চুটিয়ায়ে সিসকলক মন্ত্ৰ-মন্ত্ৰ শিল বগৰাব ধৰিলে। তাতে আমাৰ লোকজন পৰিব দেখি উঠিব নুৱাৰি হুইঁকি আহিল। তাৰপৰা আমাৰ চেংখাম বৰুৱাক ধৰি নিলে। তাকে ধৰি নিবৰ দেখি সকলোৱে আলচি সাবধান হৈ ফ্ৰাচেংমুং বৰগোহাঁই, থাওমুংকিংখাম, এই দুই সমুখে গল। থাওমুংচেংনৰ সন্দিকৈ বাওঁহাতে গল, থাওমুংবানলুং দক্ষিণহাতে গল, আৰু ককচেং, আইখংখুনে, এই দুই শইকীয়াক বগৰীগুৰিয়েদি যাব দিলে। এইৰূপে গৈ পৰ্ব্বতত উঠি চালে, দেখে দুইকুৰিমান মানুহেৰে চুটিয়া ৰজা আছে। তাৰেপৰা নামি আহি পাচে তিনিওফালে বেঢ়িলে। আমাৰ লোকজন খেদি আহিবৰ দেখি দুটা শইকীয়ায়ে লোকজন সহিতে খেদি গৈ তাৰ হাবিৰ কোঁঠতে বৰহুৱাৰতে ৰণ

ধৰিলেগৈ। চুটিয়া শিল বগৰাই কঁড়াই দুই চাৰি মানুহ মাৰিলে। পাচে মানুহ মাৰিবৰ দেখি জুংমুংখাং হাতীমুৰীয়া কিছুমান লোকেৰে খেদি গল। ১৩৩॥

শদিয়াত আহোমৰ অধিকাৰী বিষয়া।— পাচে ৰৰহুয়াৰত কঁড়িয়া কঁড়ি লাগিল। চুটিয়া বলে নোৱাৰি ভাগিল। আমাৰ মানুহে চুটিয়া ৰজাক ধৰি আনিবলৈ খেদি গ'ল। চুটিয়া ৰজাৰ গাত কাঁড় লগালে। চুটিয়া ৰজা ধীৰনাৰায়ণে সন্য ভাগিবৰ দেখি আপুনি উঠি আহিল, জংমুঙলৈ কাঁড় মাৰিলে। পাচে ধৰ্ম্মনাৰায়ণৰ পুত্ৰ ধীৰনাৰায়ণ ৰজা মৰিল, জুৰিলৈ বগৰাই পেলালে। পাচে পুতেকক খুচি মাৰিলে, লাইখেঙ্গে মাৰিলে। তাৰ ৰৰকুঁৱৰীকো ধৰি আনিলে, আৰু সোণৰ দণ্ড, খাট, মেকুৰীকো, আৰু যি পালেম্মানে সকলোকো আনিলে। চুটিয়াৰ সৰ্ব্বস্ব লৈ আহিল। যুদ্ধ জিনি আহোঁতে বাটত পলৰীয়া লাপিতক্ৰত্যাং দেওধাইৰ ডিঙ্গিত কাঁড় লগালে, মৰিল। আৰু ত্যাওচুংলুং কুঁৱৰী লক্ষচেম ডইডাম পৰ্ব্বতত পাই চুটিয়াৰ বৰুৱা কাইতৰাপুৰ কটকীক ধৰি আনিলে। এইৰূপেমানে চুটিয়াক কাটি-মাৰি ৰণত বশ্য কৰি আহি চুটিয়াৰ ৰৰনগৰত মহাৰাজাক সেৱা কৰিলেহি। চুটিয়াৰ মুণ্ডকো আৰু যি বস্তুজাতকো, মানুহকো সকলোকো ৰাজাত থুগালে। পাচে কথা-বাৰ্ত্তা সকলো জনালে। পাচে ৰাজা দেউধাইক মাৰিবাৰ শুনি বহুত অসন্তুষ কৰিলে।

পাচে মহাৰজা ডাঙ্গৰীয়া সহিতে সকলোকো চপাই আলচ কৰি বোলে,—"লোক ৰাইজ্য মাৰিছোঁ। ইয়াত ৰাজ্য ৰাখন্তা নভৈলে কিয় ভাল হৈব্য ?" এইবুলি থাওমুংলুংলংচেঙ্গক ফ্ৰাংচেংমুন নাম দি বিহগোহাঁই পাতি থলে। সইন্য তিনিশ দিলে, হস্তী তিনিটা, শদিয়াত অধিকাৰী।

পাচে মহাৰাজা শত্ৰুক জিনি নিজ সন্য সমে ৰাইজ্যক চলিলা। চুটিয়া ৰাজাৰ পুত্ৰ-নাতিসবৰ মুণ্ডক নচুৰাই ৰাজ্য ৰণ-জয় কৰিলে। নাকুৰি দেৱঘৰ পৰ্ব্বতৰ ঠেঙ্গত দেৱ কৰিলে। পাচে মহাৰাজা

ডাঙ্গৰীয়াসকলকো প্ৰজাকো বঁটা-বাহন দি ৰাইজ্য পাতিলে। আতপাচে মহাৰাজা চুটিয়াক যুদ্ধ জিনি সুবৰ্ণৰ দণ্ড, পাট, মেকুৰী, ছত্ৰকো পাই জয়ঢোল কোবাই উৎসব-মঙ্গল কৰিলে। প্ৰধান ৰজা হুই কেকোৰাদোলা ললে, নাকৈ-দা তিনিজনা ডাঙ্গৰীয়াকো দিলে, দোলা তলচা নিবন্ধ কৰি দিলে, লাক্নি প্লেকচিঙ্গাত। এই কেকোৰাদোলাত অন্যে উঠিব নাপায়, মহাৰাজা দিলেহে উঠিব পায়, ১৪৪৫। ১৩৪॥

নড়া ৰজাৰ সমৰ্পণ।—আইতুনীয়া ফ্ৰা-ফুকুয়ামুং নড়াৰ বঙ্গহেও গাঁৰত ৰণ ধৰিলেহি। আমাৰ আগে থকা প্লাইলুং নামে হাতী ১ নি এইকথা ফ্ৰাচেংমুং শদিয়াখোৱা গোহাঁইৰ গালৈ জনাই পঠালে। পাচে স্বৰ্গদেৱে থাওমুংচেং সন্দিকাইক, ত্যাওচুলুং ঘৰপাতৰক এই দুইজনাক আষাঢ় মাসত পঠালে। পাচত স্বৰ্গদেৱো গল, ধৰুপাত এঠাই হলগৈ। পাচে ফুকম নড়ায়ে হস্তি-স্কন্ধে আহি ৰণ ধৰিলেহি। আৰু থাওমুং-খামজাং নড়ায়ে, ক্ষাতৰু পাতুংখাং নড়ায়ে দুয়ো ফুকুয়ামুং নড়াৰ লগত সহায় হৈ যুদ্ধ ধৰিলে। পাচে আমাৰ লাহনচং আগবাঢ়ি গৈ ফুঙ্গমুঙ্গলৈ শক্তি মাৰিলে, তাৰ শৰীলত নপৰিল। হেনদেখি ফুঙ্গমুঙ্গে শক্তি কৰিলে, তাৰ ভুজত পৰিল। খেদি আসি তাৰ কন্ধ ছেদিলে। ত্যাওক্বিক্ৰম, লাচাম্ফাক, মচো-সজয় এই তিনি বাপেক-পুতেকক পাচিলে। বেঢ়ি ধৰি তাৰ খাণ্ডা সহিতে বধিলে। সি পৰিবৰ দেখি তাৰ সেনা ভাগিল। তাৰ লগত অসা খামজঙ্গীয়া নড়ায়ো ভয়ে পলাই আপুনাৰ ৰাজ্যত পশিল।

তাৰ ভাই ফ্ৰচেনত্যোওয়ে কটকী পঠাই প্ৰাৰ্থনা কৰি বোলে,—"মোৰ ভাগিনীটী নামখামতে বিহা দিম আৰু অশ্ব দুটা দিম, মহাৰাজা ক্ষমা কৰ। স্বৰ্গদেৱক সেৱা কৰিমগৈ।" তাতপাচে ফুলপুং কটকীত কৈ ভনীয়েক অশ্ব দুটাকো দি পঠালে লাক্নি কাত্ গুত ১৪৪৭ শকত। তাতপাচে ফুলত্যাও তাৰ দেশৰপৰা বিস্তৰ সম্ভাৰ লৈ আহিল, স্বৰ্গদেৱক সেৱা কৰিলেহি, বোলে,—"মই

স্বৰ্গদেৱক অনেক অপদ্ৰৱ কৰিলোঁ, স্বৰ্গদেৱে কৃপা কৰি অনুগ্ৰহ কৰেহেঁতি তেহে হয়।" এহি বোলি ৰহিল। তাত পাচে ফুচেনত্যোক নাংখামপুই নামে কন্যা এক, দন্তাল হস্তী ১, ৰূপাৰলী জাপি ২, ৰজতৰ দণ্ড ২, এইসকলক দি শিকাই-বুজাই পঠালে। ১৩৫ ॥

আহোমৰ নতুন বিষয়া।—পাচে মহাৰাজা ৰুংৰুংমৰ পৰা এক বৎসৰৰ শেষত আষাঢ় মাসত দিহিঙ্গলৈ আহিল। তাৰপাচে ১৪৪৮, লাক্নি খুত্ চানত ত্যাওচুংলুং কুঁৱৰী নঘৰ পাতৰক থাওমুং চুংত্যাও নাম দি নামনিয়াল সন্দিকৈ পাতিলে। ঘৰ পাতৰৰ চেনদিমক চুংকুংৰি নাম দিলে। ত্যাওপিমক বানলুং নাম দিলে। ১৩৬ ॥

কছাৰীৰে সৈতে বিৰোধ।—কছাৰী যুদ্ধৰ কথা॥ কৈকাচুংডাং চাৰিটা দলৈক নেঘেৰী পৰ্ব্বতৰ কাখৰৰ চুকা ৰৰচেটিয়ায়ে ধৰি আনিলে, বোলে,—"আমাৰ মানুহ-দুনুহটো ফুৰিব নোৱাৰে? কছাৰীয়েনো কত ৰাইজ্য পালে? কছাৰীৰ নহয় স্বৰ্গমহাৰাজাৰেসে ৰাইজ্য হুই।" এই বোলি কছাৰী দলৈক ৰাখি থৈছিল। পাচে কছাৰী ৰজা এই কথা শুনি সাতগঞা মানোৰা দলৈক, মৰিয়ল বাঘেখুৰা দলৈক, লিখা পত্ৰ দি পঠালে ৰৰচেটিয়াৰ ঠাইলৈ। লিখাত এই লিখিলে, বোলে,—"দিখৌৰ দখিণপাৰৰ পৰা আমাৰ ৰাইজ্য।" পাচে লিখা চাই ৰৰচেটিয়ায়ে এইখানি বুলিলে বোলে,—"আমি দ্বন্দ্ব নকৰোঁ, সিহঁতে আমাৰ গৰু-মানুহ ধৰি নিয়ে, মাছ কাঢ়ি নিয়ে, আমাৰ স্বৰ্গমহাৰাজাৰ লোকজন সবৰ বল টুটিলেনেকি? আৰো তাৰ চৰীয়াৰে সৰ্ব্বস কাঢ়ি নিয়ে, ৰণ কৰিব পাৰোঁ বুলি ইয়াকো বিশ্বাসে কৰিহে বুলিব লাগে। ই ভাল বুলিছে, "কিৰ্ত্তিম বীৰ্য্যাৰ দৃষ্টি অকাৰ্য্য হৈলে আছোক ৰণ, শৰীৰতো ৰক্ষা নাপাই।" এনে বচন-কথাৰে চুটিয়া ৰাজা সবংশে সহিতে তল গৈইছে। কছাৰী ৰাজানো গলত শিল বান্ধি সমোদ্ৰত কেনমতে সাঁথুৰিব খুইছে? স্বৰ্গমহাৰাজাৰ খাণ্ডাৰ ধাৰ দেখা নাইনে? সিহঁতে আপোনাৰ ইষ্ট দেৱতাকো কোন আছে তাক সত্তৰে চিন্তোক,

যুদ্ধলৈকো আগবাঢ়ি আহোক, তেহে মানুহ এৰি দিব পাৰোঁ।” যাতে দুত মাৰিবৰ যোগ্য নহই, এতেকে এৰি দিছোঁ।” সিহঁতৰ হাতত লিখা এখন লিখি দি পঠালে। পাচে সিহঁতে লিখা লৈ আপোনাৰ দেশলৈ গল। ১৩৭॥

সীমা-নিৰ্ণয়ত প্ৰথম পৰীক্ষা।—‘আগে যাৰে পুখুৰীত পানী আগে উলাই তাৰেসে ৰাজ্য।’ পাচে এইৰূপে কথা বান্ধি নিবন্ধকৈ ললে। কছাৰীও ভাল বুলি শলাগিলে। পাচে কনচেং বৰপাতৰে খুনখুৰা বৰুৱায়ে দুটা পুখুৰী খনালে। পাচে দুয়ো পুখুৰীত একো কালে পানী নোলায়। পাচে আমাৰ বৰপাতৰে মন্ত্ৰণা কৰি ৰাত্ৰি অনেক কুমাৰ আনি মাটি খনাই পুখুৰীত পানী উলিয়ালে। পাচে কছাৰীয়ে নজানেহেনকে নিশা গৰঙ্গৰে পানী আনি পুখুৰীত ভৰাই চাৰিওপাৰে মাটিৰ ভালকৈ কৰাল দিলে, পানী নোহোসা কৰিলে। আৰু সেই ঠাইতে ডাঙ্গৰ জৰীগছ এজাৰ আছে। তাতে হোৱাং চৰাই বাঁহ লৈছিলে। তাতে মানুহ এটা তুলি থৈ তাক শিকালে, বোলে,—“তই একো নামাতিবি। যিতিয়া আমি জয়ঢোল কোৱাওঁ তেতিয়া তই বুলিবি,—‘স্বৰ্গমহাৰাজাৰ ৰাইজ্য।’ এইৰূপে তিনিবাৰ বুলিবি।” পাচে ৰাতি পুৱালত পুখুৰীৰ পানী দেখি আমাৰ সকলোলোকে বুলিলে,—“আমাৰ স্বৰ্গমহাৰাজাৰেসে দেশ।” এইবুলি অনেক বাইছ্য বজালে, জয়ঢোলকো বজালে, আনন্দ-উৎসব কৰিলে। কছাৰীকো বোলিলে,—“পৃথিবীয়েও সত্য কহিছে, আৰু আকাশৰ দেৱতায়ো বুলিছে, কছাৰী, শুন, শুন।” পাছে সেই সময়তে চৰাই-খোৰোঙ্গত থকা আমাৰ মনুষ্য বোলি ধৰি আনিলে, বোলে,—“স্বৰ্গমহাৰাজাসে অধিকাৰী, কছাৰীৰ ৰাইজ্য নহই।” পাচে আমাৰ লোকে বোলে,—“কছাৰীক আকাশৰ দেৱতাও কৈছে, তহঁতে আমাৰ ৰাইজ্য এৰি দে।” ১৩৮॥

কছাৰীৰে সৈতে ৰণ।—পাচে সেই লিখা কছাৰী ৰাজা শুনি বোলে,—“আহোম ৰাজাৰ মানুহে যুদ্ধলৈহে মন কৰিলে।” এহিবুলি

সাবধানে আগবাঢ়ি আহি ধনশিৰিত কোঁঠ দিলেহি। পাচে মহাৰাজা দিখৌৰ সিপাৰৰপৰা শিলপুখুৰীলৈকে কাটি-মাৰি খেদি নিলে। তাতে কোঁঠ দি খুনখুৰাৰে শ-মান লোক লগত আছিল।

পাচে আমাৰ লোকজনে ভিক্ষুকৰ বেশে কছাৰীৰ আশ্ৰয় জিজ্ঞাসি ফুৰিছিলে। পাচে কছাৰীৰ খুনখুৰাৰে আমাৰ মানুহ ছটা ধৰি নিলে। আহোমে ছল কৰি ভাও বুজিছে, এই বুলি ছটা মানুহ কাটিলে, চাৰিটা মানুহ কছাৰী ৰাজাৰ ঠাইলৈ দি পঠালে, আমাৰ চাৰি মানুহত কছাৰী ৰাজাই সুধিলে, বোলে,—"তইঁতক নাকাটি-নামাৰি ৰক্ষা কৰোঁ, তইঁতৰ ৰাজা কি যুক্তি কৰিছে তাক ক।" পাচে আমাৰ চাৰি মানুহে বোলে,—"যদি মহাৰাজাৰ বল-বীৰ্য্য টুটিলেহে তইঁতে কাটিবাক ভাল। জুইআঙ্গুনি পকৰায়ে, ৰাতিক দিন কাহানি কৰে? আমাৰ কথাৰে কাহানি মহাৰাজা তোমাৰ ৰাজ্য মাৰিছে? ইন্দুৰৰ মুখত কাহানি হস্তী-দন্ত গাজে? ইন্দুৰৰ পথে কাহানি হস্তী অহা-যোৱা কৰে? বানৰৰ মুখে কি নাৰিকল ভাগে? স্বৰ্গমহাৰাজা কাহানি আমাৰ কথাত চলে? আমাৰ কথাৰে তোমাৰ ৰাজ্য মাৰিছেনে? আমি ভিক্ষুক, ভিক্ষা কৰি তোমাৰ ৰাজ্যত ফুৰোঁ, তোমাৰ যেই ইচ্ছা তাকে কৰা।" পাচে কছাৰী ৰাজায়ে সেই চাৰি মানুহক বোলে,—পূৰ্ব্বাপৰ আমাৰ ৰাজ্যৰ ৰবচেটিয়ায়ে আমাৰ মানুহ ধৰি নিয়া, সিবিলাকে ইসব কথা নজানে কি? তইঁতৰ দুটা মানুহে স্বৰ্গ-মহাৰাজাৰ ঠাই কৰি গৈ আমিও তইঁতক পঠাই দিম।" এইবুলি কছাৰী ৰজায়ে দুটা মানুহ পঠালে। ১৩৯॥

সীমা-নিৰ্ণয়ত দ্বিতীয় পৰীক্ষা।—পাচে সেই দুটা মানুহে মহাৰাজাৰ আগত সকলোবিনি আদি-অন্তে কলে। স্বৰ্গদেৱে যুদ্ধ কৰি কছাৰীক শিলপুখুৰীৰ পৰা খেদি নি কাটি-মাৰি কছাৰীক পত্ৰ এখান লিখি উটাই দি পঠালে। কছাৰীয়ে চপাই আনি পত্ৰ চালে। পত্ৰত এই লিখিছিলে,—"দেৱগ্ৰামৰ মহাদেৱ গোসাঁইৰ

আগলৈ আহোমে কছাৰীয়ে বলি দিব। যাৰে বলি একে কোবে ছিগে তাৰে ৰাজ্য হব।" এই সত্য-নিবন্ধক শুনি কছাৰীও সেইৰূপে বলি আনি দুয়োহতৰে ভাল মানুহ পঠাই গোসাঁইৰ আগলৈ দি পঠালে। পাচে কোব মাৰিলে, কছাৰীৰ বলি চাৰি কোবেও নিছিগিল। পাচে সকলো লোকে বোলে,—"আমাৰ স্বৰ্গমহাৰাজাৰ ৰাইজ্য, কছাৰীৰ নহই।" পাচে এই নিবন্ধতে থাকি কছাৰী হুসকি-হুসকি ধনশিৰিৰ সিপাৰ হলগৈ, আমাৰ লোকজন ইপাৰে ৰহিল। ১৪০ ॥

পুনৰ আহোম-কছাৰী ৰণ।—সেই সময়ত ডেটচুক্ৰা এইৰূপে লগ ললেহি। পাচে কাৰো ভঙ্গ-জয় নাই। পাচে সেনাপতি কনচেং বৰপাতৰে বোলে,—"কছাৰীয়ে মৰঙ্গি এৰি দিয়োক। যদি নেৰে, আমাৰ মহাৰাজায়ে বুলিছে বোলে,—"সি যিখানি কৈছে আমি যিখানি কঞো দুয়ু সত্য নহয়, পৃথিবীয়ে হে সত্য।"...... নিবন্ধকো দেৱতাৰ বচনকো মানি কোঁঠ মাৰি ৰহিল।............ দুয়োদল লোকে লগালগি হৈ এইৰূপে দুবৎসৰ আছিল, ভঙ্গ জয় নোহোৱাকৈ।.........

কাৰো ভঙ্গ-জয় নোহোৱাকৈ ১৪৪৮ শকত আঘণ মাসত থাওমুং-ক্লংখাম গোহাঁইক থাওমুংচেন সন্দিকৈক আগকৈ কছাৰী ৰণলৈ পঠালে। এই দুয়ো কছাৰীৰ পানীখোৱা ঘাটতে ৰহিল। পাচে মহাৰাজয়ো পুতেক গড়গঞা সৈতে নামতি নদীয়ে উজাই কছাৰীৰ ৰবদুৱাৰত ৰহিলে। থাওমুংত্যোও, ত্যাওমুং-মুংক্লি দুয়ো আগযোৱা সৈতে চাৰিকো পানীঘাটতে বেঢ়িব দিলে। ইবোৰকো কছাৰীৰ ইটাৰগড়ৰ কোথতে গড় বান্ধিব দিলে। সকলেও একযুক্তি হৈ গড় বান্ধিলে। পাচে গড়ৰ ভিতৰ সোমাই যুদ্ধ ধৰিলে। সি বলে নোৱাৰি ভাগিল। ইবোৰে তাক ভাগিবৰ দেখি উলটি আহি মহাৰাজাত কলেহি। পাচে মহাৰাজা তাৰপৰা লোকজন সহিতে মৰঙ্গলৈ গ'ল। তাতে পাঞ্চ বৎসৰ আছিল। পাচে ধনশিৰিয়ে

ভটীয়াই আহিল, দেৰৱগ্ৰামত ৰহিল। চাবিঙ্গৰাজা ত্যাওচুখেন, পুতেক ত্যাওচাওৰাই, ক্লিলং ৰৰপাতৰ পীৰাকটাৰ পৰায়ে দেৰৱগ্ৰামত মহাৰাজাৰ লগ পালেহি। দেৰৱগ্ৰামতে চাবিঙ্গৰাজাৰ পুতেক ত্যাওচাও চাওৰাও মৰিল। সকলো ৰৰা-বৰুকে আলচি কলে,—“কছাৰীক নাপালোঁ নাওবাটে তৰবাটে ॥” গঙ্গাধৰ হস্তাক্ষৰম্। ১৪১ ॥

তৃতীয়খন বুৰঞ্জী

ওপবজনা দিহিঙ্গীয়া ৰজাৰ পৰা প্ৰমত্তসিংহ স্বৰ্গদেৱলৈকে

নগাৰ খুনবাওলৈ দিহিঙ্গীয়া ৰজাৰ কুঁৱৰী।—ওপবজনা দিহিঙ্গীয়া ৰজাই জাককুৰা কুঁৱৰী এজনাক নগাৰ খুনবাও এটালৈ দিবলৈ মন কৰিলে। কুঁৱৰীবোবে বোলে, "হয়হে দেৱতাই দিছে, চাৰি মহিনা গৰ্ভ হৈছে।" পাচে ৰাজাদেৱে বোলে, "হোক, মঞি দিবলৈ পালেঁা। কথা এৰিমনে কি? যদি লৰা হয় মই আনিম, ছোৱালী হলে তঞি লোকত দিবি।" এইবুলি নিবেদিলে। নগা লৰা বোলে, "দেৱতাৰ কুঁৱৰী হলে মোৰ আই হয়। মাতৃএবে ঘৰ-বহতি কৰিমনে কি? তেও যে দেৱতাই দিবলৈ পালে মঞো আই বুলি ৰাখিম। মাতৃ হলে পুত্ৰৰ ঘৰত থাকে।" এইবুলি নিলে। ১৪২ ॥

কনচেং বৰপাত্ৰ-গোহাঁই।—পাচে কতোদিন থাকি লৰাটি জন্মিলে। ৰজাদেৱে চাঙ্গলৈ আনি আপোনাৰ পুত্ৰ দেখি নাম দিলে কন্চেঙ্গ। সেই লৰাকে দোলা-আবোৱান হেঙ্গদান দি বৰপাত্ৰ-গোহাঞি পাতিলে। দুজনা গোহাঞিৰ মাঝতে বহিবলৈ দিলে। ৰজাদেৱে নিয়মকৈ বোলে, গোহাঞিবোৰ হল ৰূপৰ উধান, মই হলো সোণৰ থালি। আৰু বোলে, হাতীমুৰীয়া আহম কিছো দিয়োক বৰপাত্ৰলৈ। দুজনা গোহাঞে বোলে, লবাৰে একেশাৰীএ বহিব দিছে, ভাল বহিম। হাতীমুৰ আহম দিব নোৱাৰো। ৰাজাদেৱে খঙ্গ কৰি বোলে, নেলাগে সিহঁতৰ মানুহ। এইবুলি বৰাহী, চুটিয়া, লুখৰাসন, আৰে দহ হাতীমুৰ পাতি দিলে, আৰু দুজন গোহাঞিৰ দুশ-দুশকৈ চাৰি-শ নি লগত ললে। তাৰে দু-শক লিকুচোৱান নাম দি লাহনক বৰা পাতিলে। দু-শক চাউৰক নাম দি গোহাঞিবোৰৰে

বঙ্গহ একোটা আনি শইকিয়া পাতি দিলে। আগে ৰাজাদেৱৰ লগত এই মানুহ নাই আছিল। ঘৰ সাজি মিচাঙ্গ আৰোতাই দিবলগাহে আছিল। আৰু ৰাজাদেৱে দুজনা গোহাঞিক ৰাজ্য বাটি দিলে। দিহিঙ্গ ৰাজ্য বুঢ়াগোহাঞিক দিলে, শদিয়া ৰাজ্য বৰগোহাঞিক দিলে। ১৪৩ ॥

কছাৰীৰ বিভঙ্গ।—আতপাচে বানচাঙ্গৰ বকুলৰ পৰা কছাৰীক খেদি দিখৌ পাৰ কৰি জাঝি সীমা কৰি ললে। পাচে ক্লাচেঙ্গমুন বৰগোহাঁয়ে শদিয়াতে থাকি ৰাজালৈ কিছু অকথা হেন দেখি ৰাজাদেৱে বোলে, বৰগোহাঞি স্বতন্ত্ৰহে হল। এইবুলি বুঢ়াগোহাঞিৰ বৰপুতেক লাইকুলাবাঙ্গেনক পঠাই উপায় কৰি বৰগোহাঞিক অনাই ভাঙ্গি কোঁৱৰবোৰৰ লগত থাকিব দিলে। পুতেকক গোহাঁই পাতি থলে। পাচে লাইকুলাবাঙ্গেন গোহাঞিক শদিয়া ৰাজ্য দি গোহাঞি পাতিলে।

আতপাচে তিনিজনা ডাঙ্গৰীয়া সহিতে গৰ্গয়া ৰাজাক পঠাই কছাৰীক খেদি নি মৰঙ্গিত থলেনি। ইটাগড় সীমা কৰি তাতে কতোদিন আছিল, তাৰপৰা মাইবাঙ্গলৈ খেদিলে। তিনিজনা ডাঙ্গৰীয়া প্ৰমুখে গৰ্গয়া ৰাজা নাৱে ধনশিৰিৰে উজাই গৈছে, এনেতে কছাৰীএ ধনশিৰি পাৰ হৈ হাবিত লুকাই গোটাচাৰেক কছাৰী ওলাই টোপোলা বন্ধা ৰূপ ২০০০, ঘোৰা ৪ টা, আকে দেখাই বোলে, আমি বৰিলোঁ।। বচ্ছৰি এইৰূপে মহাৰাজাৰ চৰণত সেৱা কৰিম। আমাক নিৰ্ভয় দি থাপি-সাঞ্চি থবা। এইকথা শুনি স্বৰ্গদেৱে বোলে, ভাল, তইঁতে আহি যুৱৰাজক সেৱা কৰহি। পাচে তইঁতক থাপি-সাঞ্চি থম। কছাৰীবোৰে বোলে, আমাৰ নাও-নাৰবা একো নাই। কিৰূপে যাম? তোমালোকে আমাক আহি নিয়াহি। কনচেঙ্গ বৰপাত্ৰ-গোহাঞে বোলে, কছাৰীয়ে ছল কৰি নি কোনোখান কৰিবলৈহে মন দিছে। আমাৰ গৰ্গয়া ৰাজা বোলে, তাকনো কোনে গুদায় এৰিব? এইবুলি নাও মেলি গল। কছাৰীএ হাবিৰ পৰা ওলাই আমাৰ

বাৰটা মানুহ কাটিলে। গৰ্গয়া ৰাজাবো বা-বিচনীত এঘা মাৰিলে। এনেতে ডাঙ্গৰীয়াসকলে তাৰপৰা ভাগিল। আমাৰ সকলে উজাই আহি দেৰগাওঁতে ৰহি গৰ্গয়া ৰজাক উজাই দি পঠিয়ালে। আতপাচে সকলো উজাই আহিল। ১৪৪ ॥

তুৰবকৰ যুদ্ধত মূলা গাভৰুৰ মৃত্যু।—আতপাচে কমতেশ্বৰ ৰজাই মানুহ পঠাই মহাৰাজাত জনালেহি, বোলে, পূৰ্ব্বে আমি ৰাজনী-ভাজনী কুঁৱৰীৰ লগত যৌতুক দিয়া পাঁচখন ৰাজ্যক গৌড়েশ্বৰে মাৰি ললে। তাক মাৰি আপোন ৰাজ্য লকহি। এইকথা শুনি ৰজাদেৱে তিনিজনা ডাঙ্গৰীয়া সহিতে গৰ্গয়া ৰাজাক কুৰিহাজাৰ মানুহ লগত দি পাচিলে। সিবোৰ গৈ কমতেশ্বৰক লগত লৈ তুৰবকক প্ৰথমে মাৰিলে। সেই যুদ্ধত আমাৰ ফ্ৰাচেঙ্গমুং গোহাঞি পৰিল, ভায়েকো পৰিল, ঘৰিণীএক ৰাজা-জীয়ো পৰিল। গৰ্গয়া ৰাজাৰো পিৰাত এঘা, হাতত এঘা মাৰিলে, মহাৰণ হল। ১৪৫ ॥

গৌড়েশ্বৰে সৈতে মিত্ৰতা।—পাচে সমস্তকো কাটি-মাৰি গৈ কৰতোৱা গঙ্গাত খাণ্ডা পখালি তৈতে ৰহি পুখুৰি এটা খানি তেজাঙ্গ চেটিয়াক পত্ৰ দি গৌড়েশ্বৰ পাৎস্যাৰ ঠাইলৈ পাঠিলে। পত্ৰটো এই লিখিলে বোলে, "স্বৰ্গীমহাৰাজা কোচ-কোচান মাৰিবলৈ মাজিয়ো পুতেকক পঠাইছে পাঁচলাখ ঠাঠেৰে, সৰুপুতেকক পঠাইছে তিনিলাখ ঠাঠেৰে জয়ন্তা কছাৰী মাৰিবলৈ, ববজনা পুতেক পাঞ্চলাখ ঠাঠেৰে আহি সমস্তকো কাটি-মাৰি বশ কৰি কৰতোৱা গঙ্গাত খাণ্ডা পখালি ৰহিছেহি। স্বৰ্গীৰাজাৰ পুত্ৰে পাৎসালৈ এইখান বুলি আহিছে বোলে, শুনুতে গৌড়েশ্বৰ ডাঙ্গৰ পাৎসা বুলি শুনিছোঁ। তাতেহে তিনিয়ো ভাই তিনিফালে তেৰেলাখ ঠাঠেৰে বেঢ়ি আহিছোঁ। কি নিমিত্তে? সেৰপুৰ, পতিলাজহ, এঘাৰসিন্দুৰ, কামপুৰ, ঢেকেৰা, এই পাঞ্চখান আমাৰ ৰাজ্য মাৰি আনিছে। বুলিবতে কমতেশ্বৰক মাৰিহে মঞ্জি আনিছোঁ, তেওঁ কেনেকৈ মোৰ বোলে? পূৰ্ব্বে

কমতেশ্বৰে ৰাজনী-ভাজনী কুঁৱৰীৰ লগত যৌতক দিয়া, এতেকেহে মোৰ ৰাজ্য বুলিছোঁ। যদি সেই পাঁচ ৰাজ্য এৰি দিব, তেবে কন্দল নকৰেঁা। যদি নেদিব, তেবে যুদ্ধ দিয়োক।"

এইকথা গৌড়েশ্বৰে শুনি বোলে, "প্ৰথমে প্ৰীতি কৰণেসে যোগ্য, যদি প্ৰীতি নৰহে তেবে যুদ্ধ। ভাল মঞি স্বৰ্গীৰাজাৰে মিত্ৰ কৰিলেঁা।" এই বুলি অনেক যৌতক লগত দি মহাৰাজালৈ কন্যা এটা দি সেই পাঁচ ৰাজ্য দিলে। পাচে গৰ্গয়া ৰাজা প্ৰমুক্ষে সকলো উজাই আহি চাৰিদুৱাৰত বলহি। তাতে কোচৰ বিশ্বসিংহে অনেক ভোটান্তৰ অপূৰ্ব্ব বস্তু আনি ভেটিলেহি গৰ্গঞা ৰাজাত। প্ৰাৰ্থি বিশ্বসিংহে বোলে, মোক থাপি-সাক্ষি জীৱিকা দি লব লাগে। গৰ্গয়া ৰাজা বোলে, ভাল কামৰূপ, ঢেকেৰা, এই দুই ৰাজ্য দিলেঁা। জীৱিকা কৰি থাক। ১৪৬॥

আহোমৰ থাপিত-সাক্ষিত বিশ্বসিংহ।—এইবুলি সকলো উজাই আহি ৰাজ্য মাৰি পোৱা বস্তু-দ্ৰব্য লৈ দিহিঙ্গত ৰাজাদেৱক সেৱা কৰিলেহি। সেই কন্যা ৰাজাদেৱক নেদেখালে। পাচে ৰাজাদেৱে জানি বোলে, গৌড়েশ্বৰে মোলৈহে কন্যা দিছে, সি লব নাপায়। এইবুলি কন্যা নিয়াই ৰাজাদেৱে ললে। ১৪৭॥

দিহিঙ্গীয়া বজা আৰু গড়গঞা ডেকাৰজাৰ বিবোধ।—আত-পাচে বৈশাগৰ বিহুত তিনিজনা ডাঙ্গৰীয়া সহিতে ৰাজাদেৱে কুকুৰা যুঁজাইছে। এনেতে ৰাজাদেৱে বোলে, যদি গোহাঞিবোৰৰ কুকুৰা জিকে মোৰ জীয়াৰী গোহাঁইবোৰৰ পুতেকলৈ দিম। যদি মোৰ কুকুৰা জিকে গোহাঁইবোৰৰ জীয়াৰী মোৰ লৰাহঁতলৈ দিব। গৰ্গয়া বজা বোলে, আপদেৱকে নাটে, আমাৰ কথা কলে কি হব? এনেতে ৰাজাদেৱে ফাকৰপৰা হেঙ্গদান সোলোকাই কাটো বুলি উঠিল। গৰ্গয়া বজাও উঠিল। পাচে গোহাঁইবোৰে কন্দল ভাঙ্গিলে। ১৪৮॥

দিহিঙ্গীয়া বজা হত্যা।—গৰ্গয়া ৰাজা আপোনাৰ লগৰ মানুহেৰে অস্ত্ৰে-শস্ত্ৰে সাৰধান হৈ দিহিঙ্গৰ পৰা গৈ লেচাঙ্গত নগৰ কৰি থাকিল।

মহাৰাজা বোলে, সি স্বতন্ত্ৰ হব পায়নে কি? এইবুলি ৰাজাদেৱে দিহিঙ্গৰ পৰা লেচাঙ্গলৈ খেদি আহিল। এইকথা গৰ্গয়া ৰাজা শুনি বোলে, কন্দলক ভয়ে মঞি আঁতৰি আছোঁহি, তথাপি খেদি আহিছে। মঞি কন্দল নকৰোঁ। এইবুলি ঘৰিণীয়েকবোৰক অস্ত্ৰ-শস্ত্ৰ দি পঠাই দিলে। মহাৰাজা দেখি বোলে, ইবোৰ কি, চাওঁ দে। চাওডাঙ্গে চাই আহি কলে, বোলে, স্বৰ্গদেৱৰ বোৱাৰীবোৰ আহিছে। ৰাজাদেৱে বোলে, কি অকাৰ্য্য হল! এইবুলি উলটি দিহিঙ্গলৈ গল। আতপাচে লালিমৰ তুৰবান লেহেতিয়াক কেটাই ৰাতি তাৰে হাতে চুৰিএৰে খোচাই মৰালে। ভোগ ৪৪ বৎসৰ।

গৰ্গয়া ৰাজা হৈ লেহেতিয়াক বঁটা-বাহন দি বোলে, তোৰ ডাঙ্গৰ আপাহ পালোঁ, আৰু মোৰ ৰাজ্যত লেহেতিয়া আছেমানে সকলোকো চপাই আন, মঞি লগত লওঁ। এইবুলি সকলো লেহেতিয়াক চপাই আনি মাৰিলে, বোলে, মোকো এনেহে কৰিব। ১৪৯॥

গড়গঞা ৰজাৰ মৃত্যু।—আতপাচে গৰ্গয়া ৰাজা দাৰিকাত নগৰ কৰিলে। তাতে থাকি দৌলগুৰিত নগৰ কৰিলে। পাচে মহাৰাজা স্বৰ্গী হল। ভোগ ১২ বৎসৰ। ১৫০॥

কোচৰ অসম আক্ৰমণৰ প্ৰস্তাৱ।—বিশ্বসিংহে নৰনাৰায়ণক ৰাজা পাতি বুলিলে, পূৰ্ব্বে অচমৰ ৰাজা ৰাজ্য দি মোক থাপিছে। সেই অধীনতা তহন্তে গুচাবি। খোৰাৰাজাদেৱ ৰাজা হলত, চিলাৰায়ে তাৰ দেশৰ সকলো পণ্ডিত ব্ৰাহ্মণক চপাই সুধিলে, বোলে, অসমৰ দেশ মাৰি লব খোজো, তোমালোকে কি বোলা। সকলো ব্ৰাহ্মণে বোলে, ৰাজা হৈ পৰৰাজ্য বশ কৰি লয়নেসে যোগ্য। অনেক গো-ব্ৰাহ্মণৰ হিংসা হয় যে আতেসে বুলিব নোৱাৰি। চিলাৰায়ে বোলে, হয়, গো-ব্ৰাহ্মণৰো পীড়া নহৈব, প্ৰাণীৰো পীড়া নহৈব। অনাযুদ্ধে যেন ৰাজ্য বশ হয় তেমন উপায়ক দিয়া। ব্ৰাহ্মণে বোলে, আমি আৰ কি উপায় দিয়? ১৫১॥

শ্ৰীমন্ত শঙ্কৰৰ উপদেশ।—চিলাৰায়ে বোলে, "গোমোথা শঙ্কৰ, আৰ কি উপায় আছে?" শঙ্কৰদেৱে বোলে,—"আৰ উপায় আছে। সেই দেশৰ পাত্ৰ-মন্ত্ৰীৰ মনক বুজি অনেক ৰূপ-সুৱৰ্ণ দি বৰাব লাগে। সেই দেশস্থ প্ৰজাসকলকো অনেক ৰূপ-সুৱৰ্ণ, বস্ত্ৰ-অলঙ্কাৰ দি বৰাব লাগে। যদি এনে কৰিবা তেবে অনায়াসে পাৰিবা"। চিলাৰায়ে বোলে, "পূৰ্ব্বেয়ো লাথুনা কাৰ্য্যি, টেপু কাৰ্য্যি, এই দুই গৈ বিস্তৰ ব্ৰাহ্মণৰ পীড়া হয় দেখি উলটি আহিল জেঙ্গৰাইৰ পৰা। এতেকেহে সুধিছো। ভাল, আপোনাৰ বচন কৰিম।" এইবুলি বেপাৰ কৰিবৰ ছলে বুকু কাৰ্য্যিক পঠাই তিনিলাখ ৰূপ, দহহাজাৰ সোণা দি পাত্ৰ-মন্ত্ৰীক বৰাব দিলে। সিও গৈ পাত্ৰ-মন্ত্ৰীক আৰু ভাল মানুহকো ৰূপ-সুৱৰ্ণ বিশ্বাসে দি এইখান বুলিলে, বোলে, চিলাৰায়ে বুলি আহিছে যদি সিবোৰো কুশলে ৰহিব খোজে তেবে কন্দল নকৰিব। যদি কৰিব তেবে মোৰ দোষ নাই। আমাৰ সমস্তোলোক বোলে, ভাল, ৰাজাৰ আজ্ঞাত থাকি আমি যুদ্ধ নকৰিলে কিয় পাৰিম? তথাপি সিবোৰে কিছো পৰাক্ৰম দেখাব, তেবে আমি ভাগিম। ১৫২॥

কোচ-অসমৰ ৰণ।—এই কথা বুকুএ কলত গৈ চিলাৰাই আহি দিখৌমুখত যাত্ৰা কৰি ৰলহি। তাৰেপৰা লাথুনা কাৰ্য্যিক লুইতে উজাই গৈ দিহিঙ্গে ভটিয়াই দিলিহে যাব দিলে। ৰাজাদেৱে এই বাৰ্ত্তা পাই দিহিঙ্গীয়া গোহাঞি, বুঢ়াগোহাঞি পোৱালিক, অনেক লোকজনক লগত দি মুৰকটাৰ পৰা দিলিহমুখলৈ অস্ত্ৰে-শস্ত্ৰে সাৱধানে থাকিব দিলে। ইজনা ডাঙ্গৰীয়াক চিলাবাইক সমুখে খেদি যাব দিলে। ডাঙ্গৰীয়াসকলো গৈ দিখৌমুখত চিলাবাই সহিতে ডাঙ্গৰ যুদ্ধ ভৈল। তাক ভঙ্গাৰ নোৱাৰি তিনিজনা ডাঙ্গৰীয়া ভাগি আহি গৰ্গাঁএলৈ আহিল। মুৰকটাতো দিহিঙ্গীয়া গোহাঞি ভঙ্গ খাই দিহিঙ্গলৈ গল। চিলাৰায়ো পাচে-পাচে খেদি আহি মেচাঘৰত ৰলাহি। ৰাজাদেৱো নগৰ এৰি চৰাইখোৱোঙ্গলৈ গল। তাক উহল-মাহল দি পঠাবৰ কাৰণে ভায়েক যুৱৰাজক থৈ গল। ১৫৩॥

আহোম যুৱৰাজ দেওৰজাৰ মহিমা।—পাচে একদিনা যুৱৰাজে চিলাৰায়ে দেখা-দেখি হল। চিলাৰায়ে বোলে, ই কোন? আমাৰ মানুহে কলে, এওঁ যুৱৰাজ। চিলাৰায়ে বোলে, মাতি আন, মঞেৰে কথা হোঁ। পূজাঘৰত গোসানী সেৱা কৰি চিলাৰাই দিখৌকাখৰতে আছে। আমাৰ মানুহে কলেগৈ, চিলাৰাএ মাতিছে বুলি। যুৱৰাজে ঘোৰাত উঠি দিখৌ পাৰহৈ আহোঁতে চাই আছে, দেখে, ঘোৰাৰ টাৰ তল যোৱা নাই। চিলাৰায়ে বোলে, ভায়া, আৰু কি প্ৰভাৱ দেখাব পাৰা। যুৱৰাজে বোলে, তোমাৰনো কোন ইছা? চিলাৰায়ে বোলে, নৌকা খেলাইতে ইচ্ছা। যুৱৰাজে বোলে, ভাল। তোমাৰ এখান নাও মোক দিয়া। এখান নাওবৈচা সমন্বিতে তুমি লবা। এই বুলি দুখান নাও মেলিলে। বৈচা নাইকিয়াকৈ যুৱৰাজৰ নাও জিকিল। চিলাৰায়ে বোলে, মনুষ্য নহয়, দেৱৰাজা যে। পাচে আগতে অন্তৰ্ধান হৈ গল। ১৫৪ ॥

কোচলৈ অসমৰ ওল।—চৰাইখোৰোঙ্গৰ পৰা ৰাজাদেৱে লেকাই চেটিয়াক পঠাই নিবন্ধ কৰি বোলে, আমি বছৰি একোলাখ ৰূপ দিম, সিবোৰ যাউক। চিলাৰায়ে বোলে, ভাল, তেবেসে আমি যাম। যদি ৰূপ দিব নোৱাৰে তেবে ৰাজাৰ পুত্ৰ ১, তিনি গোহাঞিৰ তিনি পুত্ৰ ওল কৰি দিয়োক তেবে যাম। এইকথা ৰাজাদেৱে শুনি অনেক দুখ কৰি আচুক গোহাঞিক দিলে, তিনি গোহাঞিৰো তিনি পুতেকক দি পঠাই দিলে। চৰাইখোৰোঙ্গৰ পৰা ৰাজাদেৱে আহি নগৰ ললেহি। ১৫৫ ॥

কোচৰ কুঁৱৰীৰ কৰুণা।—আতপাচে চিলাৰাইৰ ঘৰণীবোৰে আচুক গোহাঞি সহিতে চাৰিকো দেখি চিলাৰাইক বোলে, স্বামীদেৱ, তোমাত আমি এক বৰ মাগোঁ। বোলে, ভালা, খোজ, মঞি দিম। পটেশ্বৰীসকলে বোলে, সত্যে দিবা? চিলাৰায়ে বোলে, সত্যে দিম। পটেশ্বৰীসকলে বোলে, স্বৰ্গীৰাজাৰ চাৰিটা কোঁৱৰ আনি বন্দী কৰি থৈছা। তাৰে পিতৃ-মাতৃ-ভাৰ্য্যা এইসকলে বৰ সন্তাপিত হৈছে।

ইহঁতো ৰূপে-গুণে যুৱা অৱস্থা হৈছে। এতেকে ইহঁতক স্বদেশলৈ বিদায় দিয়া। চিলাৰায়ে বোলে, কোনৰূপে পঠাম ? পটেশ্বৰীসকলে বোলে, তুমিএৰে পাশা খেলোতে দেখিছোঁ সোন্দৰ গোহাঞিঙ বৰে পাশানু। তুমি হাত এৰি পাশা জিকাই বিদায় দিয়া। ১৫৬॥

খোৰাবজাৰ মৃত্যু।—পাচে চিলাৰায়ে চাৰিকো অনাই পাশাৰ খেল পাতি বোলে, তোমবাৰ চাৰিৰ মধ্যত এটাই যদি পাশা জিকিব পাৰা, তেবে তোমাৰ দেশে পঠাম। যদি আমি জিকো তেবে চাকৰ হৈবা। এই নিৰন্ধ কৰি পাশা খেলিলে। সোন্দৰ গোহাঞে জিকিলে। কাৰ্য্যিসকলে বোলে, এইৰূপে পঠাবলৈ ভাল নোহে। স্বৰ্গীৰাজা পাৰ্থি আহোক, তেবে পঠোৱা যাব। চিলাৰায়ে আচুক গোহাঞিক বোলে তোমাৰ পিতা ঠাইক মানুহ পঠাই কৈ যোৱা, মোৰ ঠাইক ৰাজা প্ৰীতিপূৰ্ব্বকে বুলি আহিব, তেবে মঞি পঠাম। আচুক গোহাঞে মানুহ পঠাই জনালে। ৰজাদেৱে এইকথা শুনি ৰূপৰ সুৱৰ্ণৰ অলঙ্কাৰেৰে মণ্ডিত কৰি দুটা হাতী আনো সন্দেশ বস্ত্ৰ দি আহোম কটকী লেতাউক পাচিলে। এনেতে মহাৰাজা স্বৰ্গী হল। ভোগ ৬১ বৎসৰ। ১৫৭॥

স্বৰ্গদেৱ প্ৰতাপসিংহ।—বুঢ়াৰাজাদেৱ ৰাজা হৈ কোচ কেওঁট যিসকলে ব্ৰাহ্মণৰ বেশ ধৰিলে চিলাৰাই উঠোতে লেকাই চেটিয়াক আজ্ঞা কৰিলে সেইসকলৰ লগুণ গুচাই পেলা। সিয়ো বিচাৰ কৰি সেইসকলৰ লগুণ গুচালে।

অসমলৈ কোচৰ কটকী।—আতপাচে চিলাৰায়ে নৰনাৰায়ণ ৰাজাত কৈ ৰাজপুত্ৰ আচুক গোহাঞিকো, তিনিজনা ডাঙ্গৰীয়াৰ তিনি পুত্ৰকো যোগ্যানুসাৰে বঁটা দি বিদায় দিলে। আৰু মহাৰাজাৰ ঠাইলৈ পত্ৰ-সন্দেশ দি যামিনী কাৰ্য্যিক পাতালসিং কাৰ্য্যিক পঠালে। পত্ৰতো এই লিখিলে। নৰনাৰায়ণ ৰাজা বোলে, স্বৰ্গী মহাৰাজাৰ স্থানে পূৰ্ব্বপ্ৰীতি ভঙ্গত যে দোষ হৈল, তাৰ মৰ্ষণাৰ্থে ৰাজা কুমৰসমে লোকজন ফিৰাইয়া পঠাইছি। আৰু পূৰ্ব্বপ্ৰীতি ৰাখিয়া মহাৰাজাক

সেৱা কৰিবাক প্ৰতি এক কন্যা নিবদিছে। পাচে সিহঁতো আহি কাজলী পালেহি। তাতে ৰাখি হাবুঙ্গ পিকচায়ে লেতাউক পঠাই মহাৰাজাৰ চৰণলৈ জনাই পঠালে। ৰাজাদেৱে শুনি গোহাঞিক আগবাঢ়িবলৈ অনেক মানুহ লগত দি পুনৰ্ব্বাৰ লেতাউক পাচিলে। সিয়ো গৈ গোহাঞিকো কাৰ্য্যিবোবকো আনি নাৱৰপৰা তবে উঠি আহি মহাৰাজাত জনালেহি। ১৫৯ ॥

বামুণ কটকীৰ সৃষ্টি।—ৰাজাদেৱে বোলে, গোহাঞিৰ লগত তাৰ ভাল মানুহ কাক পঠাইছে? লেতাউএ বোলে, গৰুৰ শিং এটা ওপৰলৈ এটা তললৈ যোৱাক কি বোলে? পাতালশিঙ্গা বুলি লোকে কলে। লেতাউএ বোলে, হয়, মনত পৰিল পাতালশিঙ্গ কাৰ্য্যি বোলে। যামিনী কাৰ্য্যিৰ নাউ পাহৰি বোলে, কেকোৰাৰ নাৱেৰে উজাই সিয়ো কাৰ্য্যি আহিছে। ৰাজাদেৱে বোলে, মোৰ ঠাইতে যে এনেকৈ কয় পৰ ৰাজ্যতনো বন্দী আহোমে কেনেকৈ কব? এইবুলি আহোম কটকী গুচাই ব্ৰাহ্মণ কটকী ললে। কলিয়া ১, চতুৰ্ভুজ ১, ধৰাধৰ ১, চণ্ডিবৰ ১, একাদশ ১, থাকৰি ১, বামকন্দলি ১, বৰগুৰু ১, সাগৰকন্দলি ১, বৰকন্দলি ১, চোটকন্দলি ১, মাধৱকন্দলি ১, শীতলিয়া ১, বিৰিণা ১, নিবহ ১, এই পোন্ধৰ ঘৰ ব্ৰাহ্মণক কটকী ললে। ১৬০ ॥

স্বৰ্গদেৱলৈ কোচৰজাৰ কন্যা।—বেহেৰুৱা কাৰ্য্যিবোৰক নাম-ডাঙ্গৰ উপৰে দিখৌকাখৰত ঘৰ সজাই থলে। এই ভটীয়া লোক থাকিবৰ কাৰণেহে সেইখানি ভটীয়াপাৰ বোলে। পাচে মহাৰাজা কাৰ্য্যিবোৰক তুলিলে আনি। পত্ৰত নৰনাৰায়ণ ৰাজা যি বুলিয়া পুছিলে তাক শুনি ৰাজাদেৱে বোলে, ভাল, মোৰ মনৰ সকলো অসন্তোষ গুচিলে। কন্যা দিব খুজিছে মঞি আনিম। এইবুলি সিহঁতক বহাঘৰতে জিৰাই থাকিব দিলে। পাচে মহাৰাজা কাৰ্য্যি-বোৰক বঁটা-প্ৰসাদ দি বিদায় দিলে। আমাৰ বৰগুৰু কটকীকো পাচিলে জোৰণ দি কন্যা আনিবলৈ। সিহঁতো পালেগৈ। আমাৰ